ত্ৰৈলোক্য নাথ গোস্বামী

(১৯০৬--)

এজন লেখকে নিজৰ ৰচনাৰ বিষয়ে কি ভাবে সেই কথা জনাৰ সুযোগ বৰ বেছিকৈ পোৱা নাযায়, কাৰণ খুব কম লেখকৰহে নিজৰ লেখা সমালোচনামূলক দৃষ্টিভংগীৰে বিচাৰ কৰি চোৱাৰ প্ৰয়োজন ঘটে। কিন্তু ত্ৰৈলোক্য নাথ গোস্বামী কেৱল এজন গল্প-লেখকেই নহয়, তেওঁ এজন সমালোচকো, আৰু গোস্বামীয়ে সাহিত্য অকাডেমিৰদ্বাৰা পুৰস্কৃত তেওঁৰ 'আধুনিক গল্প সাহিত্য' নামৰ গ্ৰন্থত অন্যান্য অসমীয়া লেখকৰ গল্পৰ লগতে তেওঁৰ নিজৰ গল্পৰো আলোচনা কৰিবলগা হৈছে। সেই নাতি-দীৰ্ঘ আলোচনাত তেওঁ নিজৰ গল্পৰ বিষয়ে দুটা তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে--এটা তেওঁৰ গল্পৰ বিষয়-বস্তু সম্পৰ্কে, আনটো প্ৰকাশভংগী বা কলা-কৌশল সম্পৰ্কে। নিজৰ গল্পৰ বিষয়-বস্তু সম্পৰ্কে তেওঁ কৈছে--"সমাজৰ দুখ-দৈন্য, অনাচাৰ-অবিচাৰৰ বুকুত নিষ্পেষিত স্ত্ৰী-পুৰুষৰ চৰিত্ৰ গোস্বামীৰ গল্পত আছে। .... দৰিদ্ৰ, পীড়িত আৰু নিৰ্যাতিত লোকৰ প্ৰতি তেওঁৰ সহানুভূতি আছে।" নিজৰ ৰচনা-ৰীতিৰ বিষয়ে কবলৈ গৈ তেওঁ কৈছে--"গোস্বামীৰ ৰচনা-ৰীতি সৰল; অনেক সময়ত বিচিত্ৰতাহীন। তেওঁৰ বস্তু-উৎথাপন ৰীতিও অজটিল। বৰ্ণনাৰ আতিশয্যৰ মোহ তেওঁৰ নাই। বাক্-সংযম তেওঁৰ আছে, বৰং বেছিকৈয়ে আছে। ইয়াৰ ফলত কোনো কোনো ক্ষেত্ৰত গল্প-সৌন্দৰ্য ভালকৈ পৰিস্ফুট হ'ব পৰা নাই।"

আৱাহন যুগত অতিশয় জনপ্ৰিয় হৈ উঠা ৰোমাণ্টিক্ ভাবাবেগপূৰ্ণ গল্পখাজিৰ মাজত ত্ৰৈলোক্য নাথ গোস্বামীৰ নিৰলংকাৰ আৰু মিত-বাক্ গল্পবোৰ এটা স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল হৈ উঠিছিল, আৰু সেই বৈশিষ্ট্য হ'ল তেওঁৰ তীব্ৰ সমাজ-সচেতনতা। 'পানী-নসৰকা কোঠালী'ত বিভক্ত কৰা সম্ভৱ নহয় যদিও মোটা-মোটিকৈ অসমীয়া গল্প-সাহিত্যত দুটা ধাৰা চলি আহিছে। এটা ধাৰাৰ লেখকৰ প্ৰধান বিচৰণ-ক্ষেত্ৰ হ'ল ব্যক্তিৰ মনোজগত, মানুহৰ প্ৰবৃত্তি, হৃদয়-বৃত্তি আৰু ব্যক্তিগত আবেগ-অনুভূতিৰ জীৱন। এই শ্ৰেণীৰ লেখকে ব্যক্তিৰ মনোজগতৰপৰা আৰম্ভ কৰি বাহিৰলৈ যাত্ৰা কৰে। দ্বিতীয় ধাৰাৰ লেখকসকলৰ পৰ্যবেক্ষণৰ প্ৰধান লক্ষ্য হ'ল মানুহৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামক্ষেত্ৰ, সামাজিক ক্ষেত্ৰত চলা তেওঁৰ নানাবিধ দ্বন্দ্ব, বিৰোধ আৰু তজ্জনিত বিভিন্ন সমস্যা। শ্ৰেণী বিভক্ত আৰু শোষণ-ভিত্তিক সমাজত স্বাভাৱিকতেই এই সংগ্ৰামৰ ৰূপ ঘাইকৈ অৰ্থনৈতিক ; ই ধনী আৰু দুখীয়া, শোষক আৰু শোষিত, প্ৰাচীন সংস্কাৰ আৰু নতুন মুক্তি-আকাংক্ষাৰ মাজত চলা সংগ্ৰাম। এই কথা অৱশ্যে ক'ব নোৱাৰি যে ত্ৰৈলোক্য নাথ গোস্বামীৰ গল্পত এই সামাজিক দ্বন্দ্বৰ ৰূপ অতি স্পষ্ট আৰু হৃদয়-সংবেদ্য ৰূপত ফুটি উঠিছে। কিন্তু তথাপি মূলতঃ তেওঁ এই ধাৰাৰ লেখক, আৰু এই ক্ষেত্ৰত তেওঁ পথিকৃৎসকলৰ অন্যতম।

গোস্বামীৰ যিবোৰ গল্প তেওঁৰ স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল, সেই আটাইবোৰ গল্পত অৰ্থনৈতিক শোষণ আৰু সামাজিক অন্যায়ৰ ছবি পোৱা যায়। ওপৰে ওপৰে দেখাত জাৰজ গল্পটো পিতৃ-পৰিচয়হীন ৰতনৰ মানসিক সংঘাতৰ ছবি ; ঘৰলৈ ঘূৰি আহি সি হুক্ হুকুকৈ কান্দি থকা মাকৰ ওচৰত ৰবীন্দ্ৰ কেৰাণীক বহি থকা দেখি তেওঁক মাৰিবলৈ উদ্যত হৈছে। কিন্তু প্ৰকৃতপক্ষে যি পতিত আৰু দুশ্চৰিত্ৰ সমাজ-ব্যৱস্থাই ৰতনৰ মাকৰ নিচিনা মানুহক অন্তহীন দুৰ্ভাগ্যৰ পাষাণ-ভাৰেৰে পিষ্ট কৰিছে আৰু ৰতনক পৰিচিত কৰাইছে জাৰজ বুলি, সেই

সমাজ-ব্যৱস্থাৰ স্বৰূপ উন্মোচন কৰি দেখুওৱাতেই গল্পটোৰ আচল আকৰ্ষণ নিহিত আছে। সেইদৰে পৰাজয় নামৰ গল্পটোৰো প্ৰকৃত তাৎপৰ্য বোধহয় লেখকে নিজে ভবাৰ দৰে কেৱল যুক্তি আৰু অনুভূতিৰ দ্বন্দ্ব নহয়; যদি হয়ো, সি কেৱল ব্যক্তিগত যুক্তিপ্ৰৱণতা বা ব্যক্তিগত অনুভূতি নহয়। নিৰাশ্ৰয় আৰু মুমূৰ্ষু বুঢ়াজনৰ প্ৰতি অধ্যাপকৰ শীতল, 'যুক্তিবাদী' আৰু সহানুভূতিহীন মনোভাব আৰু আনহাতে ঘৈণীয়েক কমলাৰ করুণাসিক্ত আচৰণৰ মাজত দুই ধৰণৰ সামাজিক মনস্তত্ত্ব ফুটি উঠিছে বুলি কব পাৰি। দাৰিদ্ৰ্য আমাৰ দেশৰ এটা চিৰন্তন দৃশ্য। এক শ্ৰেণীৰ মানুহৰ দৃষ্টিত এই দৃশ্যটো এনেভাৱে de-humanised হৈ গৈছে যে দাৰিদ্ৰ্যৰ বিষয়ে চিন্তা কৰি তেওঁলোকৰ মূৰ গৰম হৈ থাকিলেও তেজ-মাংসৰ দৰিদ্ৰই তেওঁলোকৰ মনত বিন্দুমাত্ৰ সহানুভূতিৰ উদ্ৰেক নকৰে। পৰাজয় গল্পৰ অধ্যাপক এই শ্ৰেণীৰ মানুহ, তেওঁ এই শ্ৰেণীৰ সামাজিক মনস্তত্ত্বৰ প্ৰতিভূ। সেই কাৰণেই তেওঁ আশীবছৰীয়া আশ্ৰয়হীন মুমূৰ্ষু বুঢ়াক ৰাতি ঘৰৰপৰা খেদি দি 'ডাচ্ কেপিটেল' পঢ়িবলৈ বহি যাব পাৰে। দুঃস্থ আৰু দুৰ্ভাগ্যতাড়িতৰ প্ৰতি অধ্যাপক-পত্নী কমলাৰ যি স্বতঃস্ফূৰ্ত স্নেহ আৰু সহানুভূতি উথলি উঠিছে, সেইটো হ'ল সহজ আৰু স্বাভাৱিক মানবিক প্ৰতিক্ৰিয়া। এই প্ৰতিক্ৰিয়াই দাৰিদ্ৰ্যক এটা বিৰাট সামাজিক সমস্যা বুলি চিনি নাপায়, চিনি পায় কেৱল চকুৰ আগত দেখা ব্যক্তি-বিশেষৰ মানবিক সমস্যা বুলি। পৰাজয় গল্পই এই দুই ধৰণৰ সামাজিক মনস্তত্ত্ব ব্যক্ত কৰিছে।

দাৰিদ্ৰ্য, শোষণ, সামাজিক অন্যায় আদি সমস্যাবোৰৰ প্ৰতি এই দুটা দৃষ্টিভংগীৰ উপৰিও তৃতীয় এটা দৃষ্টিভংগী আছে; সেই দৃষ্টিভংগীয়ে সমস্যাবোৰৰ প্ৰকৃত স্বৰূপ চিনি পায়েই ক্ষান্ত নাথাকে, ব্যক্তি-বিশেষৰ প্ৰতি করুণা বা সহানুভূতিত বিগলিত হৈয়েই ক্ষান্ত নাথাকে, সি প্ৰেম আৰু ক্ৰোধৰ মিলন ঘটাই এক বিৰাট প্ৰতিবাদৰ ৰূপ লয়। গোস্বামীৰ গল্পত এই তৃতীয় দৃষ্টিভংগীটো প্ৰায় অনুপস্থিত। তেওঁৰ চৰিত্ৰবোৰে যে অসত্য, অন্যায় আৰু অবিচাৰৰ বিৰুদ্ধে প্ৰতিবাদ নকৰে এনে নহয়, কিন্তু সি প্ৰায়েই ব্যক্তিগত বিবেকৰ প্ৰতিবাদ (পতিত আৰু পতিতা, দুটকীয়া নোট, শিল্পী—ইত্যাদি), কোনো অৱস্থাতেই সি সামাজিক প্ৰতিবাদৰ বৃহদায়তন লাভ কৰা নাই।

তাৰ কাৰণে খুব সম্ভৱ গোস্বামীৰ ভাষা আৰু প্ৰকাশভংগীও দায়ী। ভাষাৰ সংযম, সাৰল্য, ভাবাবেগৰ আতিশয্যৰ প্ৰতি অনীহা নিশ্চয় অতি প্ৰশংসনীয় গুণ। কিন্তু সংযম আৰু সাৰল্যৰ নামত যদি ভাষা বা প্ৰকাশ-ভংগীয়ে এনে এটা neutral ৰূপ লয় যে সি পাঠকৰ মনত কোনো ধৰণৰ আবেগ-অনুভূতি সঞ্চাৰ কৰি দিব নোৱাৰে, তেন্তে লেখকৰ মূল উদ্দেশ্যই ব্যৰ্থ হয়। চুটি-গল্পৰ ওজা মোপাচাঁৰ বিষয়ে কোৱা হয় : He is as factual as a five-star final, and far more accurate. He is as precise as a lawyer devising an ironclad will ; as detached as a chemical formula. And yet, as Conrad observed, he is never dull, which is by no means true of even the most talented writers who have elected to be rigidly objective. (Wallace Brockway : Introduction to The Great Short Stories of Guy de Maupassant)

এটা গৰম কোট

এটা গৰম কোট গল্পটোক ত্ৰৈলোক্য নাথ গোস্বামীৰ বিশিষ্ট গল্প-প্ৰতিভাৰ প্ৰতিনিধিমূলক নিদৰ্শন হিচাপে লব পাৰি। তেওঁৰ গভীৰ মানৱীয় সহানুভূতি, বিদ্ৰোহী বিবেক, সূক্ষ্ম ব্যংগ, সহানুভূতিশীল আৰু অন্তৰ্দৃষ্টিসম্পন্ন চৰিত্ৰ-চিত্ৰণ, ভাষাৰ পৰিমিতিবোধ, সংযত আবেগ—এই

আটাইবোৰ গুণৰ সমাবেশ এই গল্পটোত দেখা যায়। গল্পটোৰ মূল চৰিত্ৰ ৰমেন বৰুৱা নিশ্চয় গুণী মানুহ, নহ'লে তেওঁৰ নিচিনা দৰিদ্ৰ মানুহ এজনক মন্ত্ৰীয়েও কিয় সমীহ কৰি চলিব? কিন্তু লগতে তেওঁ নিশ্চয় আদৰ্শবাদীও; নহলে আনক মুখৰ কথাতে লাখ টকাৰ ঠিকাৰ যোগাৰ কৰি দিব পৰা মানুহজন নিজে দৰিদ্ৰ হৈ নাথাকিলেহেঁতেন। কিন্তু তেনে এজন মানুহেও সদানন্দ হাজৰিকা ঠিকাদাৰৰপৰা ঠিকা যোগাৰ কৰি দিয়াৰ পুৰস্কাৰ স্বৰূপে এটা গৰম কোট উপহাৰ ললে। তেওঁ যে নিজে কব নোৱাৰাকৈয়ে অসতৰ লগত আপোচ কৰিলে আৰু তাৰ ফলত তেওঁৰ বিবেক অক্ষত হৈ নাথাকিল—সেই কথা পাঠকে অনুভৱ নকৰাকৈ নাথাকে। গল্পটোত ঠিকাদাৰ সদানন্দ হাজৰিকা নিৰ্বিবেক লোভ আৰু অশুভ শক্তিৰ প্ৰতীক, ৰমেন বৰুৱা দুৰ্বল আদৰ্শবাদিতা আৰু আত্মপ্ৰতাৰক নৈতিকতাৰ প্ৰতীক, কিন্তু তেওঁৰ পুতেক কনক হ'ল অন্যায়ৰ বিৰুদ্ধে সক্ৰিয় আৰু সৰব প্ৰতিবাদৰ প্ৰতীক।

ৰমেন বৰুৱাই শেষত টিউশ্যন ললে। ল'ৰা কলেজলৈ গ'ল, সংসাৰ বাঢ়িল, ধাৰো বাঢ়িল। টিউশ্যন নকৰি উপায় নাই। সেই বাবে দুমাইল বাটকুৰি বাই তেওঁ সদানন্দ হাজৰিকাৰ ঘৰলৈ সদায় অহা-যোৱা কৰে। আজি ছমাহ হ'ল তেওঁ এই কাম কৰিছে, একে ঘৰতে, একে সময়তে। পৰিশ্ৰম তেওঁৰ অৱশ্যে হয় কিন্তু সি অথলে যোৱা নাই—নগদ চাবিকুৰি আদায় হৈছে। দুকুৰি এতিয়াও পাওনাৰ হিচাবত।

সিদিনা ৰাতি তেওঁ হাজৰিকাৰ কাষ চাপিছে, ভাবিছে সুবিধা হলে টকাৰ কথাকে উলিয়াব।

"অ' মাষ্টৰ বাবু, আহক বহক। আপোনাৰ লগত এটা কথা আছে, গোপনীয় অথচ জৰুৰী।" বৰুৱাই আৰম্ভ কৰাৰ আগতে হাজৰিকাই পাতনি মেলিলে।

"কওক, কি কব খুজিছে। মোৰো দৰকাৰ আছে বুলিহে আপোনাৰ কাষ চাপিছোঁ।" বুধিয়ক লোকৰ দৰে হাজৰিকাৰ কথাৰ লগতে বৰুৱায়ো নিজৰ কথাটো সাঙুৰি থলে।

"এৰা, আপোনাৰো হওঁতে দুমাহৰ টকা বাকী আছে। মই পাওনা কৰিম। অলপ দেৰি হ'ব। বুজিছেনে, আমাৰ দিন উকলি গ'ল। আপোনালোকৰেই দিন আহিছে। আজি এবছৰ ইয়াত বহি বহি শুদা নৰাত টং ৰখিছোঁ, হাতৰ ধনহে ভাঙিছোঁ, কাৰবাৰ নাই, গ্ৰাহক নাই, টকা নাই। আমি বুৰিছোঁ, মাষ্টৰ বাবু, নিগমে বুৰিছোঁ। হাতত যি অলপ আছিল সিও গৈছে। নহলে দুকুৰি টকা জানো এটা কথাৰ কথা আছিল।"

"আপোনালোকে কয় কাৰবাৰ নাই, টকা নাই। কিন্তু আমি কিনোতা-সকলে দেখোন প্ৰায় একে দামতেই কিনো? আমি বুজি নাপাওঁ আপোনা-লোকে টকা নাপায় কেলেই। মোৰ বোধেৰে টকা পায়, কিন্তু আগৰ দৰে এটকাত দুটকা নাপায় হবলা?"

বৰুৱাই হাঁহিবলৈ চেষ্টা কৰে।

"সেইবোৰ কথা কি কম মাষ্টৰবাবু! ধৰকচোন মৰাপাটৰ কথাকে, তাত লোকচান হ'ল দুই লাখ। সৰিয়হ,—তাতো পঞ্চাশ হাজাৰৰ কম নহয়। কওকচোন, টকা কেনেকৈ থাকে, কাৰবাৰ কেনেকৈ চলে? যোৱা বছৰ ঘৰটো বান্ধিলোঁ, তাতো প্ৰায় এক লাখৰ ওচৰ পালে, অথচ ঘৰটোৱে মুনাফা নিদিয়ে, দিয়ে কাৰবাৰে। তাতেই যদি এনেকৈ লোকচান ভৰিব লগা হয় আমি ৰওঁ কেনেকৈ?" আগ্ৰহেৰে হাজৰিকাই বৰুৱাৰ মুখলৈ চালে।

"এৰা আপোনালোকৰো কিছু অসুবিধা হৈছে যেন পাওঁ। কিন্তু আমাৰ পিনে চাওকচোন, আজি তিনি বছৰে তিনি কুৰিতেই আছোঁ, লৰচৰ নাই, আমাৰ মূৰতে ঘা, তথাপি আমি বাচিবলৈ আশা কৰিছোঁ। কিন্তু আপোনালোকৰ যদি ঘা হৈছে আঁঠুত, আপোনালোকে প্ৰমাদ গণিছে।"

বৰুৱাই ভাবি-চিন্তি উত্তৰ দিলে।

"কথাৰে আপোনালোকক বলে নোৱাৰোঁ।" হাঁহি মাৰি হাজৰিকাই কথাটো পাতলালে।

"পিচে, এৰক সেইবোৰ। মোৰ কথাটো শুনক। ও-ও-ও ৰ'ব, একাপ চাহ খাবনে? বেছ ঠাণ্ডা পৰিছে। ধনীয়া, হেৰৌ ধনীয়া, বোলোঁ দুকাপ চাহ লৈ আহ।"

"নালাগে চাহ এতিয়া। ৰাতিও হয়। কওকচোন আপোনাৰ কথাটোকে।" বৰুৱাই বাধা দিয়ে।

"বাৰু তেন্তে শুনক। আপোনাৰ হেনো মিঃ ভৰালীৰ লগত সম্ভাৱ, ঘনিষ্ঠতা আৰু একেলগে উঠা-বহা আৰু মাষ্টৰনীৰো হেনো মিছেচ ভৰালীৰ লগত বৰ আত্মীয়তা।"

"এৰা সম্ভাৱ থাকোঁতে আছে। পিচে আপুনি বা কোনজন ভৰালীৰ কথা কৈছে? সেই কৃষি বিভাগৰ ইন্সপেক্টৰ, ভৰালীনেকি?"

"এঃ নহয়। মই ডাঙৰজনৰ কথাকে কৈছোঁ।" হাঁহি হাঁহি হাজৰিকই ইঙ্গিত দিয়ে।

"ও-ও-ও বুজিছোঁ। কিন্তু তেওঁলোক হ'ল ডাঙৰ মানুহ, বহু কথা বহু কামৰ। আমাৰ নিচিনা লোকে তেওঁলোকৰ লগত সম্ভাৱ থকা বুলিনো কেনেকৈ কওঁ?"

"আপুনি নকলেও মোৰ জনা আছে। মোৰ হকে আপুনি তেওঁক এষাৰ ক'ব লাগে। আপোনাৰ প্ৰতি ই এটা কথাৰ কথা নহয়। পাণ-তামোল খোৱা সময়ত দহ কথা পাতোঁতেও কৈ পেলাব পাৰে। কিন্তু আপোনাৰ এটা কথাই মোৰ কাৰণে লাখ টকাতকৈয়ো বেছি মূল্যবান হৈ পৰিব।"

"মোৰ কথাৰ মূল্য ইমান বেছি বুলি আজিহে আপোনাৰপৰা জানিলোঁ। মই হলে ইমানদিনে তাক বিনামূল্যতেই বিতৰণ কৰি আহিছোঁ।" ধেমালিৰ ছলতে বৰুৱাই কৈ পেলায়।

"এৰা তাতেই আপোনাৰ গৌৰৱ। আপোনাৰ টকা নাই, সকলোৱে জানে, কিন্তু আপুনি এজন মানুহৰ লগৰ মানুহ হৈ আছে। নহলে ভৰালীয়েই বা আপোনাক ইমানখিনি খাটিৰ কৰিলেহেঁতেন কেলেই?"

চতুৰ মানুহৰ দৰে হাজৰিকাই বৰুৱাক লাহে লাহে ওপৰলৈ তুলি দিয়ে—নিজৰ কাম আদায় কৰিবলৈ, স্বাৰ্থসিদ্ধি কৰিবলৈ। বৰুৱাই বুজি নাপাই তৃপ্তিৰ হাঁহি মাৰে।

"বুজিছে বৰুৱা, কাৰবাৰৰ যুগ গ'ল—চাহিদা নাই, মুনাফা নাই। এতিয়া দিন আহিছে ঠিকাৰ। নেদেখিছেনে এজন এজনকৈ প্ৰত্যেক কাৰবাৰীয়ে ঠিকাত ধৰিছে, লাভ কৰিছে। সেই শইকীয়াৰপিনেই চাওকচোন। আজি এবছৰৰ ভিতৰতে তেওঁ কি মানুহ কি হৈ পৰিল। কাৰবাৰ-চাৰবাৰ মিছা, কিন্তু ঠিকাত মান-ইজ্জত আছে, টকাও আছে। মোৰ কাৰণে আপুনি এটা যোগাৰ কৰি দিয়ক। হেলা নকৰি আপুনি ভৰালীক এষাৰ ক'লে মোৰ কাম হৈ যায়।"

"আপুনি ভৰালীৰ কথা বাৰে বাৰে কৈছে কিন্তু তেওঁচোন ঠিকাৰ মালিক নহয়।" বৰুৱাই মাজতে প্ৰশ্ন তুলিলে।

"আপুনি কয় কি? ভৰালী ঠিকাৰ মালিক নহয় সঁচা, কিন্তু তেওঁ মালিকৰ বাপেক। আজিকালিৰ কাণ্ড-কাৰখানা বেলেগ। আজিকালি মালিকৰ ওপৰতো মালিক আছে। ভৰালীও তেনে। নেদেখিছেনে বৰমূৰীয়াসকল আটায়ে তেওঁৰ তলত। সেই আহমদৰ ঘটনা বোধহয় আপুনি পাহৰা নাই। ভৰালীক তেওঁ হেনো খাটিৰ নকৰিলে। পিচে পাইছে নহয় মজাপালি। ল'ৰা-তিৰোতাক ঘৰতে এৰি এতিয়া গাৰো পাহাৰত আলু-কচু খাব ধৰিছে। বুজিছে মাষ্টৰবাবু, দহ দিনতো কৰিব নোৱাৰা কাম ভৰালীৰ কৃপাদৃষ্টি হলে এদিনতে খতম হয়।"

"এৰা ডাঙৰ মানুহৰ কথা। সকলোৰে লগত খাটিৰ-বাতিৰ আছে নহয়। বাৰু, আপোনাৰ যদি কিবা উপকাৰ হয় কম বাৰু, এষাৰ মুখৰ কথাহে।"

হাজৰিকা আনন্দত জপিয়াই উঠিল। "শুনক মাষ্টৰবাবু, যদি মোৰ এই কাম সিদ্ধি হয়, তেন্তে মই যি ভাবিছোঁ, ভাবিছোঁ। আপুনিও সদায় সন্ধিয়া আহোঁতে যাওঁতে কষ্ট পায়। ইপিনে ঠাণ্ডাও পৰিছে বেছ। মোৰ নিজৰেই লাজ লাগে। মোৰ ঘৰৰ ল'ৰাক পঢ়ায় আপুনি, অথচ আপোনাৰ গাত এটা গৰম কোট নাই। টকা থাকক নাথাকক মোৰ এটা গৌৰৱ আছে। মৰি গলেও তাক এৰিব নোৱাৰোঁ। নহয়।"

"শুনিছে হাজৰিকা, আমি মাণ্টৰ জাতিটো আনৰ গৌৰৱেৰে গৌৰৱান্বিত আনৰ ভাগ্যেৰেই ভাগ্যৱান। মানুহে ডাঙৰ ডাঙৰ কথা কয়, আমাক ধৰ্মৰাজ যুধিষ্ঠিৰ পাতে কিন্তু আমাৰ পেটৰ ভোক, গাৰ ফটা কাপোৰ নুশুচে।"

"দুখ নকৰিব মাণ্টৰবাবু। দিন ফিৰিব। আৰু যদি মোৰ এই কাম-টোৰ দিহা হয়হে তেন্তে—নাই, এতিয়া সেইবোৰ নকওঁ, কৈ লাভ নাই। ই ভাগ্যৰ কথা। আই লক্ষ্মী সুপ্ৰসন্না হলে এদিনতে সকলো ওলট পালট হৈ যায়। পিচে ৰাতিও হয়। আপোনাক বেছি সময় আমনি নিদিওঁ। আপুনি যেনেতেনে কাইলৈ ভৰালীৰ লগত কথা হ'ব। পৰহিলৈ মই তেওঁৰ ওচৰ পাম।"

"বাৰু সেইটো হ'ব। ই একো টান কাম নহয়।" বৰুৱা হাজৰিকাৰ ঘৰৰপৰা উঠিল শুদা হাতে কিন্তু শুদা মনে নহয়। হাজৰিকাৰপৰা তেওঁ মনৰ খোৰাক পাইছে, তাকেই ভাবিছে, পাগুলিছে, বাটে বাটে গৈছে—সেই ঠেক ৰাস্তাটোৰ মাজে মাজে, জোঙা জোঙা শিলগুটিবোৰৰ ওপৰেদি।

হাজৰিকা আৰু ভৰালীৰ আত্মীয়তা সোনকালে গঢ়ি উঠিল। ভৰালী সৰবৰহী লোক। তেওঁ মানুহ চিনি পায়। কাৰ মাজত নিজক বিলাই দিব লাগে সেইটো তেওঁ ভালকৈয়ে জানে। আজি ছবছৰে তেওঁ মানুহৰ লগত লেন-দেন কৰিছে, কাকো আশা দিছে, কাকো চাকৰি দিছে, কাকো টিন-পাত দিছে। এনে এজন লোকে হাজৰিকাৰ যোগ্যতা, বাক্‌পটুতা, কৰ্মপটুতা এদিনতে ধৰি পেলোৱা একো আচৰিত নহয়। ভৰালীৰ ওচৰত যোগ্যৰ সমাদৰ সদায় আছে। সেই বাবে হাজৰিকাৰ মনোবাঞ্ছা সোনকালে পূৰ্ণ হ'ল—দুই লাখ টকাৰ গজ্‌গজীয়া ঠিকা হাততে মিলিল।

কেইদিনমান আগতে ফেঁচাটোৰ দৰে মন মাৰি বহি থকা হাজৰিকাৰ এতিয়া তৰাণি নাই। তেওঁৰ ঘৰত লোকৰ সমাগম বাঢ়িছে। বনুৱা, মহৰী, ওভাৰ-চিয়াৰ এইবোৰৰ কথাকে নকওঁ, স্বয়ং ভৰালীয়ে মাজে সময়ে তেওঁৰ বঙলাত পদাৰ্পণ কৰি কথা পাতে, চাহ খায়, চুৰট পোৰে। ৰমেন বৰুৱাও আগৰদৰে তেওঁৰ ঘৰলৈ যায় কিন্তু কথা নাপাতে, চাহ নাখায়, চুৰট পুৰিলেও নিজৰ জেপৰপৰা উলিয়াই পোৰে।

ৰমেন বৰুৱাৰ পাওনা তিনি কুৰিলৈ উঠিল। ভোগালী বিহুৰ ওচৰ চাপিছেহি। বিহুৰ আগে আগে টকা কেইটা পালে তেওঁ ৰক্ষা পৰে। ল'ৰা-ছোৱালীকেইটাৰ সৰস্বতী পূজাৰ চাঁদা দিব লাগে, জাৰৰ কাপোৰো লাগে। তদুপৰি বিহুৰ বাবে সাধাৰণ হলেও অলপ যোগাৰ লাগে। আজি তিনি দিন চেণ্টা কৰিও তেওঁ হাজৰিকাক লগ পোৱা নাই। সিদিনা হাজৰিকাই নিজে তেওঁক মাতি পঠিয়াইছে বাবে তেওঁৰ মনত অপাৰ আনন্দ, পাবৰ আশাত, টকাৰ মায়াত।

"বহক মাণ্টৰবাবু, ভাল কামটো হাতত ললোঁ বুজিছেনে? দিনৰ দিনটো তৰণি নাই, ৰাতিও টোপনি নাই। আগেয়ে জনাহেঁতেন এনে কামত হাত নিদিলোঁহেঁতেন। কিন্তু এতিয়া উপায় নাই—আগুৱাবলৈকো টান পাওঁ, উভতিবও নোৱাৰোঁ।"

"ওভতে কেলেই? দুই লাখ টকাৰ ঠিকা যেতিয়া ডেৰলাখং মানৰ কাম দেখুৱালে নহ'ব জানো?"

"ইঃ ৰাম ৰাম আপুনি কয় কি? আনৰ দৰে তালি-বাজি মাৰিবলৈ গলে মোৰ জানো মান-সন্মান ৰ'ব। লাগিলে মোৰ ঘৰ-মাটিকেই বেচিম, তথাপি কাম কেচা নকৰোঁ। মান-ইজ্জতকৈ টকা ডাঙৰ হ'ব নোৱাৰে। আনে সেইটো নুবুজিব পাৰে কিন্তু সদানন্দ হাজৰিকাই তাক ভালকৈ বুজে।"

সুযোগৰ অপেক্ষাত বৰুৱাই কাণ থিয়কৈ শুনি আছে। সিদিনাও শুদা হাতে উলটিব লগা হ'লে তেওঁৰ বিপদ হ'ব।

"ইয়াৰ কাৰণেই খৰচ কৰোঁ, টকা চালি দিওঁ—দুকুৰিৰ ঠাইত চাৰি কুৰি, এশৰ ঠাইত দুশ। কন্ট্ৰোলৰ বজাৰ গ'ল। কোনো বেটাই খুঁত উলি-য়াব নোৱাৰিলে আৰু এতিয়া যদি ঠিকাকেই কৰোঁ, তাতো আপোনাৰ আশীৰ্বা-দত কেৱে নোৱাৰে। পূজা-সেৱাৰ যোগাৰত মই ক্ৰুটি নকৰোঁ। আজি আপোনাৰ লেঠাটোও মাৰিব খুজিছোঁ। জাৰ পৰিছে, অহা-যোৱাত আপোনাৰো কণ্ট হৈছে দেখি মোৰ ভাল লগা নাই। আপোনাৰ বাবে এইটো শ্বিলঙৰপৰা ফৰ্মাচ কৰি অনাইছোঁ। আপুনি গাত দি ফুৰিলে বৰ আনন্দ পাম। লগতে একুৰি টকাও লৈ যাওক। বিহুৰ খৰচ লাগিব।"

চকীৰপৰা উঠি হাজৰিকাই বৰুৱাৰ হাতত এটা গৰম কোট তুলি দিলে। অনুৰোধ এৰাব নোৱাৰি ৰূমতেই তেওঁ কোটটো পিন্ধিলে। আঁঠুৰ তললৈকে ওলমি পৰা দীঘল কোটটো, চকলেট ৰঙৰ, মিহি, নিমজ অথচ বেছ গৰম। বৰুৱাই চোলাটো পিটিকি আছে আনন্দত, লাজত। হাজৰিকাই একেথৰে বৰুৱাৰপিনে চাই আছে। তৃপ্তিৰ মিচিকিয়া হাঁহিয়ে তেওঁৰ মুখখন পোহৰ কৰি তুলিছে।

"ডিঙিৰ বুটামটো অলপ টান হয়নেকি?" মাতো নামাতোকৈ বৰুৱাই নিস্তব্ধতা ভঙ্গ কৰিলে।

"নাই, দুদিন পিচতে সেইটো ঠিক হৈ যাব। বেছ শুৱাইছে আপোনাক। গাৰ ৰঙৰ লগত ৰজিতা খাই পৰিছে। বুজিছে মাণ্টৰবাবু, মই এক কথাৰ মানুহ। মৰিব পাৰোঁ তথাপি জবান এৰিব নোৱাৰোঁ। আপোনাৰ উপকাৰ মই পাহৰা নাই। এসপ্তাহ আগতে এইটো আপোনাক পাওনা কৰিব পৰা হলে মনত বেছি আনন্দ লাগিলহেঁতেন। কিন্তু মনত ভাবিলোঁ, দিব খুজিছোঁ যেতিয়া মাল চকুত লগা হ'ব লাগে। মনত লগা মাল ইয়াত নাই। সেই বাবে শ্বিলঙৰপৰা অনোৱা ঘটং মটঙত অলপ দেৰি হৈছে।"

ৰমেন বৰুৱাই কথা বিচাৰি পোৱা নাই। কোটটো পিন্ধি তেওঁ আনন্দিত হৈছে নে নিজকে অপৰাধী বিবেচনা কৰিছে তাকো ভালকৈ ধৰিব পৰা নাই। জীৱনত কেতিয়াও তেওঁ কাৰোপৰা অনুগ্ৰহ ভিক্ষা কৰি পোৱা নাই। নানান কণ্টকো নেওচি জাৰে-জহে তেওঁ চলিছে, তথাপি কাৰো ওচৰত তেওঁ অনুগ্ৰহপ্ৰাৰ্থী হোৱা মনত নপৰে। সেই বাবে আজি তেওঁৰ জয় হৈছে নে পৰাজয় হৈছে তাৰ সঠিক সমিধান তেওঁ বিচাৰি পোৱা নাই।

কোটটোৱে তেওঁৰ গাত বেচ উম দিছে। দেখিবলৈকো কোটটো ধুনীয়া। গতিকে তাৰ প্ৰতি তেওঁৰ মায়া উপজিছে। সুন্দৰ কাপোৰ, ওপৰত হাত বুলালেও এটা তৃপ্তিৰ শিহৰণ জাগে। হাজৰিকাই ভাল বস্তুকেই আনিছে, দিওঁ বুলিয়েই নিশ্চয় দিছে।

হাজৰিকাৰ ঘৰৰপৰা বৰুৱা ওলাল। তেওঁৰ মনৰ ওপৰত এটি অহৈতুকী চিন্তাৰ অৱসাদ। হাজৰিকাৰ ভুটীয়া কুকুৰটোৱে ভুক্‌ভুক্‌কৈ তেওঁৰ পিচে পিচে খেদি গ'ল—বোধহয় তাৰ ভাষাৰে তেওঁকেই সম্বৰ্দ্ধনা জনাওঁ বুলি। অলপ পিচতে এজন শিক্ষকে আচৰিত হৈ কোটটো লাৰি-চাৰি সযত্নে পৰীক্ষা কৰিলে, তেওঁকো অভিনন্দন জনালে। স্কুল ঘৰত কাম কৰা জমাদাৰটোৱে সিদিনা দূৰতে চালাম দি নীৰৱে তেওঁৰ সুখতে সুখী হোৱা যেন দেখা গ'ল।

বৰুৱাই বেগাই খোজ লৈছে। বাটত ফিৰ্‌ফিৰীয়া চেঁচা বতাহ। কিন্তু সিদিনাৰ বতাহে তেওঁৰ গোটেই গাটোকে থক্ থক্ কৰে কঁপাই তুলিব পৰা নাই। দৰিদ্ৰৰ ওপৰত প্ৰকৃতিৰ এই নিকৰুণ আঘাত সিদিনা ব্যৰ্থ হৈছে আৰু ব্যৰ্থ হৈছে হাজৰিকাৰপৰা পোৱা দুৰ্ভেদ্য কৱচৰ ওপৰত পৰি। ভৰিত এযোৰ মোজা আৰু মূৰত এটা টুপী থাকিলে বৰুৱা সিদিনা মেৰুপৰ্বতৰ শীতৰ লগত যুঁজিবলৈকো সক্ষম। বেচ আৰামত গৈ আছে তেওঁ। হাতৰ আঙুলিকেইটাত অলপ চেঁচা লাগিছিল, কিন্তু জেপৰ ভিতৰত সুমাই লোৱাৰপৰা তেওঁ চেঁচা অনুভৱ কৰা নাই। জোঙা জোঙা শিলবোৰৰ ওপৰত সিদিনা তেওঁৰ খং উঠা নাই। মিউনিচিপ্যালিটিৰ নেতাসকলৰ ওপৰতো অভিশাপ বৰ্ষিত হোৱা নাই। লাহে-ধীৰে গৈ তেওঁ নিজ বাৰাণ্ডাত ভৰি দিছে। তেওঁৰ মৰমৰ টমি ওচৰলৈ লৰি আহিছে কিন্তু আন দিনাখনৰ দৰে নেজ জোকাৰি ভৰিত বাগৰি পৰিবলৈ নহয়। সি আহিছে ৰুদ্ৰমূৰ্তি ধাৰণ কৰি আক্ৰমণ কৰিবলৈ—বোধহয় নাজানি, চিনি নাপাই। কি হ'ল বুলি ঘৈণীয়েক ততালিকে ভিতৰৰপৰা ওলাই আহিল আৰু বৰুৱাক দেখা পাই আচৰিত হৈ সুধিলে, "--ল'ৰাই জাৰত কঁপি কঁপি কলেজলৈ অহা-যোৱা কৰে অথচ এগাল ৰূপ ভাঙি আপুনি এইখন কি কৰিলে?"

"ৰবাচোন ৰবা, একেবাৰে জান্তিপৰ দৰে নুঠিবা। মোক অলপ উশাহ লবলৈ সময় দিয়া" বুলি তেওঁ ঘৰৰ ভিতৰ সোমাল। নিজৰ ভুল বুজিব পাৰি টমিয়েও লাজতে ক্ষমাৰ আশাত যেন তেওঁৰ ভৰিৰ আগতে শুই পৰিছে।

"বুজিছা, ৰূপ ভঙা নাই। ভাঙিমেই বা ক'ৰপৰা? এইটো হাজৰিকাৰেই দান। সিদিনা যে ভৰালীৰ পৰিবাৰক তুমি হাজৰিকাৰ কথা কৈছিলা, সেইজন হাজৰিকাই। তেওঁ—ঠিকা পাইছে। এয়ে তাৰ বানচ, পুৰস্কাৰ নাইবা যি বোলা, সেয়ে। কেনে দেখিছা? কাপোৰখন হলে বেচ মজবুত আছে দেই--দামো কম নহ'ব, ডেৰ শৰ ওপৰেই পৰিব লাগে।"

বৰুৱাৰ কথা শেষ নৌহওঁতেই পঢ়া খোটালীৰপৰা কনক বেগেৰে ওলাই আহিল। "কি কয় দেউতা, আপুনি শেষত হাজৰিকাৰপৰা ভেটি ললেনেকি?"

"ভেটি নহয় অ'—পুৰস্কাৰ। তহঁতে একো নুবুজ দেখিছোঁ।" বৰুৱাৰ মনত খং উঠিছে।

"দেউতা, আপুনি এতিয়াই এই কোট ওভোতাই দিয়কগৈ। ইমান দিন আপোনাৰ কোট নোহোৱাকৈ চলিছে, আজিও চলিব। দগাবাজ, লম্পটে আন উপায় নাপাই শেষত এই অস্ত্ৰ প্ৰয়োগ কৰিছে।"

"ৰ চোন ৰ। তহঁত আটায়ে এনেখন কৰিছ কেলেই। হঁ—মই কি জগৰ লগালোঁ অ' যে এতিয়াই কোট ওভোতাই দিব লাগে?" ভেবা লাগি বৰুৱাই পুতেক আৰু ঘৈণীয়েকৰ মুখলৈ চায়।

"আমি ডেকাদলে অনাচাৰ অত্যাচাৰ ধ্বংস কৰিবলৈ ওলাইছোঁ—নতুন দেশ গঢ়াৰ কল্পনা কৰিছোঁ। যিবোৰ লোকে ষড়যন্ত্ৰ কৰি ৰাইজৰ বিলাই-বিপত্তি নোহোৱা কৰিছে, সেইবিলাকৰ বিপক্ষে আমি একগোট হৈ থিয় দিছোঁ। প্ৰথমতে আমি ভৰালী আৰু শইকীয়াৰ বিপক্ষেই উঠি-পৰি লাগিছোঁ। বুলেটিন ছপা হৈ গৈছে। বৰ বিহুৰ দিনা বিৰাট সভা বহিব, প্ৰস্তাৱ পাছ কৰা হ'ব। আপুনি বুজিব পৰা নাই দেউতা, আনৰ চকুত মোক হেয় কৰিবলৈ তেওঁ এই কাম কৰিছে। আপোনাৰ সৰলতাৰ আঁৰত থাকি তেওঁ নিজ স্বাৰ্থ পূৰণ কৰিবলৈ যত্ন কৰিছে।"

সৰসৰকৈ কনকে সকলো কথা কৈ যায়। বৰুৱাই কথাটোৰ ভিতৰলৈ সোমাব পৰা নাই, সোমাবৰ চেষ্টাও কৰা নাই। ল'ৰাৰ টান কথা শুনি তেওঁৰ ভাল লগা নাই। বিশেষতঃ ডেকাসকলে মুখৰ কথাৰে দেশ উদ্ধাৰ কৰা নীতি তেওঁ সমৰ্থনো নকৰে।

"তই এইবোৰ কি বলকিছ। মই হাজৰিকাৰ ল'ৰা পঢ়াওঁ। ধনী মানুহ তেওঁ। নিদিলে, এই চোলাটো তেওঁ মোক দিলেই। তহঁতৰ কি হ'ল অ'? নোৱাৰোঁ, এই চোলা মই ওভোতাই দিব নোৱাৰোঁ। মানুহজনে কেনে পাব। তেওঁ ভালেই হওক বা বেয়াই হওক মোক সেইবোৰ কেলেই

লাগিছে। মই নিজেই তেওঁক অপমান কৰিব নোৱাৰোঁ। তথাপি তহঁত আটাইৰে আপত্তি যেতিয়া নে, এই চোলা মই দুনাই গাত নিদিওঁ। তহঁতৰ যি ইচ্ছা তাকে কৰগৈ।"

খণতে বৰুৱাই কোটটো সোলোকাই ঘৈণীয়েকৰ ভৰিৰ আগত দলিয়াই পেলাই দিলে। ওচৰত শুই থকা টমিয়ে জপিয়াই চোলাৰ এমূৰত কামুৰি ধৰি বাহিৰলৈ চোচোৱাই লৈ গ'ল।